7

**1 SEM TDC ASM MIL (A) 1**

**2011**

( November )

# ASSAMESE

( Modern Indian Language )

**( Arts )**

Course : 101

( অসমীয়া সাহিত্যৰ বুৰঞ্জী আৰু সংস্কৃতি অধ্যয়ন )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। পোনপটীয়া উত্তৰ দিয়াঁ : ১×৮=৮

(ক) 'ৰাজসূয় কাব্য' কোনে ৰচনা কৰিছিল ?

(খ) আজান ফকীৰে ৰচনা কৰা গীতবোৰক কি বোলা হয় ?

(গ) 'সংমিশ্ৰণত অসমীয়া সংস্কৃতি' গ্ৰন্থৰ ৰচক কোন ?

(ঘ) প্ৰথম অসমীয়া ৰোমান্টিক কবিতাটোৰ নাম কি ?

(ঙ) 'গাঁওবুঢ়া' নাটখনৰ নাট্যকাৰৰ নাম কি?

(চ) 'টুচু পৰব' কোন জনগোষ্ঠীৰ উৎসৱ?

(ছ) অসমীয়া সাহিত্যৰ 'উপন্যাস সম্ৰাট' কাক কোৱা হয়?

(জ) প্ৰাক্-শংকৰী যুগৰ 'অপ্ৰমাদী' কবিজন কোন?

২। (ক) সাহিত্যৰ যুগ বিভাজনৰ প্ৰয়োজনীয়তা উল্লেখ কৰি ড. সত্যেন্দ্ৰনাথ শৰ্মাৰ মতৰ আধাৰত অসমীয়া সাহিত্যৰ যুগ বিভাজন সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ২+১২=১৪

*অথবা*

(খ) অসমীয়া সাহিত্যৰ বুৰঞ্জীসমূহৰ এখন তালিকা প্ৰস্তুত কৰা। এই বুৰঞ্জীসমূহৰ ভিতৰত তুমি কোনখনৰ যুগ বিভাজন অনুসৰণ কৰিবলৈ ভাল পাবা, কাৰণ দৰ্শাই আলোচনা কৰা। ৪+১০=১৪

৩। (ক) শংকৰী যুগৰ সাহিত্যৰ ঘাই বৈশিষ্ট্যসমূহ কি কি, আলোচনা কৰা। ১৪

*অথবা*

(খ) "শংকৰী যুগৰ সাহিত্য উদ্দেশ্যধৰ্মী হ'লেও সাহিত্যিক গুণ বিৱৰ্জিত নহয়।" কথাষাৰ আলোচনা কৰা।





৪। (ক) জোনাকী যুগৰ কবিতাৰ ঘাই বিশেষত্বসমূহ আলোচনা কৰা। ১২

*অথবা*

(খ) অসমীয়া সাহিত্যলৈ লক্ষ্মীনাথ বেজবৰুৱাৰ অৱদানৰ বিষয়ে চমুকৈ আলোচনা কৰা।

৫। (ক) সংস্কৃতিৰ সংজ্ঞা দিয়া। লোক-সংস্কৃতিৰ উপাদানসমূহৰ বিষয়ে আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) চমু টোকা লিখা (যি কোনো দুটা): ৫×২=১০

(১) ডেকা-চাং

(২) খেৰাই পূজা

(৩) নামঘৰ

(৪) বিয়ানাম

৬। (ক) অসমীয়া জাতি গঠনত মংগোলীয়সকলৰ কি কি উপাদান সোমাই পৰিছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'সংমিশ্ৰণত অসমীয়া সংস্কৃতি'—এই শীৰ্ষক এটি নিবন্ধ যুগুত কৰা।

৭। চমু টোকা লিখাঁ (যি কোনো তিনিটা) : ৪×৩=১২

(ক) লখিমী সবাহ

(খ) কাতি বিহু

(গ) কৰম পৰ্ব্ব

(ঘ) বায়খো উৎসৱ

(ঙ) নৰাছিগা বিহু

★★★